# ছৌদি আৰবৰ চমু বিৱৰণ

## A Brief Introduction to the Kingdom of Saudi Arabia

*ড° ৰাইজুদ্দিন আলম*
*সহকাৰী অধ্যাপক, আৰবী বিভাগ*
*গুৱাহাটী বিশ্ববিদ্যালয়*

**পটভূমিঃ**

ছৌদি আৰব দক্ষিণ-পশ্চিম এছিয়াৰ আৰব উপদ্বীপৰ বৃহত্তম দেশ। এই সাম্রাজ্য আৰব লীগৰ অন্তৰ্গত এটা ইছলামিক আৰব ৰাষ্ট্ৰ। ই ইউৰোপ আফ্ৰিকা আৰু এছিয়াৰ সংগম স্থানত অৱস্থিত। ই কেবাটাও মানৱ সভ্যতাৰ বাসস্থান স্বৰূপ। ইয়াতেই কেবাটাও ধৰ্মৰ আৱিৰ্ভাৱ ঘটিছিল যাৰ যোগেদি মহান আল্লাহ তায়ালাৰ স্বৰ্গীয় বাৰ্ত্তাসমূহ পৃথিৱীলৈ আহি সময়ে সময়ে মানৱ সভ্যতাৰ উন্নতি ঘটাইছিল। ছৌদি আৰব ইছলামৰ পবিত্ৰ স্থান যথা মক্কা মকাৰ্ৰমা আৰু মদিনা মনোৱাৰাৰ কাৰণে সমগ্ৰ বিশ্বত বিখ্যাত। এই পবিত্ৰ স্থান সমূহ পৰিদৰ্শন কৰিবগৈ গোটেই বিশ্বৰ মানুহসকলে আহে যিয়ে এই দেশৰ অৰ্থনীতি উন্নত কৰাত যথেষ্ট অৰিহণা যোগায়। হজ্জ আৰু উমৰাহ সম্পূৰ্ণ কৰাৰ উদ্দেশ্য গোটেই বিশ্বৰ মুছলমানসকলে আহি ইয়াত গোট খায় আৰু সৃষ্টি কৰ্তা আল্লাহ তায়ালাৰ পৰা ক্ষমা-ভিক্ষা বিচাৰে।

ছৌদি আৰবত উত্তৰফালে অৱস্থিত হ'ল জৰ্দান, ইৰাক আৰু কুয়েত। ইয়াৰ দক্ষিণ ফালে অৱস্থিত আছে ইয়ামেন। ইয়াৰ পূবত অৱস্থিত হৈ আছে পাৰশ্য উপসাগৰ। লোহিত সাগৰ (Red Sea) আৰু আকাবা উপসাগৰ ছৌদি আৰবৰ পশ্চিম ফালে অৱস্থিত হৈ আছে। ছৌদি আৰবৰ প্ৰতিবেশী ৰাষ্ট্ৰ সমূহ হ'ল— জৰ্দান, ইৰাক, কুয়েত, কাতাৰ, সংযুক্ত আৰব আমিৰাত, ওমান আৰু বাহৰাইন। ২০১২ চনৰ লোক পিয়ল মতে ছৌদি আৰবৰ জনসংখ্যা হৈছে ২৮.২৯ মিলিয়ন। এই ৰাষ্ট্ৰত অৰ্থনীতি মূলতঃ পেট্ৰোলিয়াম আৰু তৈলজাত সামগ্ৰীৰ

ওপৰত নিৰ্ভৰশীল। ৰপ্তানিকৃত আয়ৰ ৯০ শতাংশই আহে পেট্ৰোল আৰু তৈলজাত সামগ্ৰীৰ পৰা। এই দেশে বিশ্বৰ ভিতৰত আটাইতকৈ বেছি পেট্ৰোল যোগান ধৰে।

## ছৌদি আৰবৰ ব্যুৎপত্তি (Etymology of Saudi Arabia)ঃ

১৯৩২ চনৰ আগলৈকে ছৌদি আৰব কিছুমান সৰু সৰু অঞ্চলত বিভক্ত হৈ আছিল। হেজাজ আৰু নাজ্দ দুটা পৃথক ৰাষ্ট্ৰ হিচাবে পৰিগণিত হৈছিল। কিন্তু হেজাজ আৰু নাজ্দ ৰাষ্ট্ৰ দুখনৰ সংযুক্তিকৰণৰ লগে লগে এই ভূখণ্ডক এটা নতুন নামেৰে নামকৰণ কৰা হয়। যাৰ নাম দিয়া হয় আল-মাম্লাকা আল-আৰাবিয়াহ আল-ছুয়ুদিয়া (Kindom of Saudi Arabia)। যাৰ অসমীয়া হ'ল ছৌদি আৰব সাম্ৰাজ্য। এই ৰাষ্ট্ৰৰ প্ৰতিষ্ঠাপক আছিল ৰজা আব্দুল আজিজ বিন আল ছৌদ আৰু তেওঁৰ নামৰ লগত সংগতি ৰাখিয়েই উক্ত নামেৰে নামকৰণ কৰা হৈছে।

ছৌদি শব্দটি আৰবী ছৌদ শব্দৰ পৰা উৎপত্তি হৈছে। যি আল-ছৌদ ৰাজ পৰিয়ালৰ বিশেষণ। আনহাতে আৰব শব্দটি আৰবী শব্দ আৰবৰ পৰাই সৃষ্টি হৈছে কাৰণ যিখন ভূখণ্ডক ছৌদি আৰব বুলি কোৱা হৈছে ই আৰব উপদ্বীপৰ অন্তৰ্ভুক্ত। এতেকে, সংক্ষিপ্ত ৰূপত ক'ব গ'লে কোৱা যাব পাৰে যে আৰব উপদ্বীপৰ যি ভাগত আল-ছৌদ ৰাজ পৰিয়ালে ৰাজত্ব কৰিছিল সেই খিনি ভূখণ্ডকেই ছৌদি আৰব বুলি কোৱা হয়।

## ছৌদি আৰবৰ সংক্ষিপ্ত ইতিহাস (Brief History of Saudi Arabia)ঃ

ইতিহাসৰ পাত লুটিয়ালে দেখা যায় যে প্ৰায় ১২৫,০০০ বছৰৰ আগৰ পৰাই আৰব উপদ্বীপ তথা ছৌদি আৰবত মানুহৰ বসতি আছিল। মুছলমান সকলোৰ বিশ্বাস মতে পৃথিৱীৰ আদি মানৱ হজৰত আদম (আঃ) শৰণ দ্বীপ বৰ্ত্তমানৰ শ্ৰীলংকাত প্ৰথমে পদাৰ্পন কৰিছিল আৰু ভাৰত উপমহাদেশ হৈ ছৌদি আৰবৰ জেদ্দাত তেওঁৰ সংগী মা হাউৱাক লগ পাইছিল। ২০১১ চনৰ এটা সমীক্ষাত দেখা যায় প্ৰায় ৭৫,০০০ বছৰৰ

ধৰ্মীয় বা নৈতিক চেতনা নাছিল। তেওঁলোক নিজৰ গোত্ৰৰ গোত্ৰপতি জনৰ প্ৰতিহে আনুগত্য প্ৰদৰ্শন কৰিছিল আন আন জনগোষ্ঠীৰ প্ৰতি আছিল তেওঁলোক উদাসীন। গোত্ৰসমূহৰ মাজত সদায় কাজিয়া পেচাল, অৰিয়া-অৰি, আৰু দ্বন্দ্বই বিৰাজ কৰিছিল। কিন্তু ইছলামৰ আৱিৰ্ভাৱ হোৱাৰ লগে লগে, ইছলাম ধৰ্মৰ প্ৰৱৰ্ত্তক হজৰত মহাম্মদ (ছাঃ) এ সমগ্ৰ গোত্ৰসমূহক একত্ৰিত কৰি ৬২৭ খৃষ্টাব্দত মদিনাত ইছলামিক ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰি সুশাসন প্ৰৱৰ্ত্তন কৰিছিল।

হজৰত মহাম্মদ (ছাঃ) এ সুখ্যাতিৰে দহ বছৰ কাল ৰাজত্ব কৰাৰ পিছত তেওঁৰ অনুগত খলিফাসকলে মদিনাত ৰাজ কাৰ্য্য সম্পাদন কৰি আৰব ভূখণ্ডক বিশ্বৰ বিভিন্ন অঞ্চললৈ বিস্তাৰিত কৰিছিল। উমাইয়া আৰু আব্বাছীয় যুগত খলিফা সকলে একোজন গৱৰ্ণৰৰ জৰিয়তে মক্কা-মদিনা তথা বৰ্ত্তমানৰ ছৌদি আৰবত সুদীৰ্ঘ কাল সুশাসন প্ৰদান কৰিছিল।

১৬শ শতিকাত ওছমানীয়া (Ottoman) সকলে আৰব দেশ তেওঁলোকৰ তলতীয়া কৰিবলৈ সক্ষম হয়। ওছমনীয়াসকলে আৰব দেশৰ চাৰিশ বছৰৰো অধিক কাল ৰাজত্ব কৰে আৰু আৰব দেশখনক সৰু সৰু অঞ্চল হিচাবে ভাগ ভাগ কৰে। যাৰ ফলস্বৰূপে বৰ্ত্তমানৰ ছৌদি আৰবত কিছুমান পৰাধীন ৰাষ্ট্ৰৰ জন্ম হয়। এইক্ষেত্ৰত হেজাজ আৰু নাজ্দ উল্লেখযোগ্য।

সৰু সৰু ৰাষ্ট্ৰৰ জন্মৰ লগে লগে তাত কিছুমান ৰাজ পৰিয়ালৰ উমান হোৱা দেখা যায়। এই ৰাজ পৰিয়ালৰ ভিতৰত উল্লেখযোগ্য এটা ৰাজপৰিয়াল হ'ল আল ছৌদ ৰাজ পৰিয়াল। ১৭৪৪ চনত আল ছৌদ পৰিয়ালে কেন্দ্ৰীয় নাজ্দত আৱিৰ্ভাৱ হয়। এই বংশৰ প্ৰতিষ্ঠাপক হ'ল মুহাদ বিন ছৌদ। তেওঁ ওৱাহাবী আন্দোলনৰ নেতা মুহাম্মদ বিন আব্দুল ওৱাহাবৰ লগত মিলি ৰিয়াজত এক নতুন ৰূপত শাসন আৰম্ভ কৰে। অতি কম দিনৰ ভিতৰতেই আলছৌদে বৰ্ত্তমানৰ ছৌদি আৰবৰ

মূখ্য ভূখণ্ড দখল কৰিবলৈ সক্ষম হয়। ১৮০৩ চনত আল ছৌদে মক্কা দখল কৰে যদিও ১৮১৮ চনত মিচৰৰ ওছমানীয়া নেতা মুহাম্মদ আলী পাশ্বাই তাত চেঁচা পানী ধালে আৰু মক্কাক আল ছৌদৰ হাতৰ পৰা কাঢ়ি লৈ যায়। ১৮২৪ চনত আৰবত আন এটা ৰাজ পৰিয়াল আল-ৰাশিদৰ লগত আল-ছৌদিৰ মাজত যুদ্ধ হয়। ফলস্বৰূপে আল-ছৌদে পৰাজয়বৰণ কৰিবলগীয়া হয় আৰু নাজদৰ পৰা তেওঁলোকৰ বহিস্কৃত হৈ কুয়েতলৈ নিৰ্বাসিত হয়।

বিংশ শতিকাৰ আৰম্ভণি ভাগত ওছমানীয়া সকলে মক্কাৰ লগত হেজাজক সংলগ্ন কৰে আৰু আৰবত বেছিভাগ অঞ্চলতেই তেওঁলোকৰ শাসন কাৰ্য্য আৰম্ভ কৰে। ১৯০২ চনত আব্দুৰ ৰহমানৰ পুত্ৰ আব্দুল আজিজে আৰু পিছলৈ ইবনে ছৌদ (Ibnsoud) বুলি জনা যায় কুয়েতৰ পৰা উভতি আহি ৰিয়াজত ক্ষমতা বিস্তাৰ কৰে আৰু নাজ্দত আকৌ এবাৰ আল-ছৌদৰ ৰাজত্ব প্ৰতিষ্ঠা কৰে। আব্দুল আজিজে ওৱাহাবী ধৰ্ম গুৰু ফয়ছাল আল ছাবিশৰ সহযোগত আৰবত কিছুমান গোত্ৰক ঐক্যবদ্ধ কৰি ওছমানীয়া সকলোৰ হাতৰ পৰা কিছুমান সৰু সুৰা অঞ্চল নিজৰ হাতলৈ আনে আৰু ১৯১৩ চনত আল-আহছা দখল কৰিবলৈ সক্ষম হয়।

প্ৰথম বিশ্ব যুদ্ধৰ সময়ত ইংৰাজ সকলৰ লগত লগ লাগি হুছাইন বিন আলীয়ে ওছমানীয়া সকলৰ হাতৰ পৰা হেজাজ ৰাজ্য দখল কৰে আৰু তেওঁ হেজাজৰ ৰজা হিচাবে ৰাজপাটত অধিষ্ঠিত হয়। কিন্তু ১৯২৬ চনত ইবনে ছৌদে (আব্দুল আজিজ) হুছাইন বিন আলীক পৰাভূত কৰি নিজকে হেজাজৰ ৰজা বুলি ঘোষণা কৰে। ১৯২৯ চনত ছাবিলাৰ যুদ্ধত (Battle of Sabilla) জয়লাভ কৰি নিজকে একছত্ৰী নেতা হিচাবে প্ৰমাণ কৰি দেখুৱায় মাত্ৰ দুবছৰৰ ভিতৰত তেওঁ আৰবত বসবাস কৰা সৰু সৰু ৰাজ্যসমূহ একত্ৰিত কৰে আৰু প্ৰতিপক্ষৰ দাবী সমূহ দূৰ কৰি ১৯৩২ চনৰ ২৩ ছেপ্তেম্বৰত হেজাজ আৰু নাজাদক

পূৰ্বে আধুনিক মানৱ সভ্যতাই প্ৰাচ্যৰ এছিয়া মহাদেশ হৈ আফ্ৰিকালৈ বিস্তাৰ লাভ কৰিছিল। এই তথ্যই ইয়াৰ প্ৰমাণ কৰে যে ৭৫,০০০ বছৰ আগত আৰব দেশত মানৱ সভ্যতাই বিৰাজ কৰিছিল। ইয়াৰ ওপৰিও ২০১৭ চনত উত্তৰ-পশ্চিম ছৌদি আৰবৰ সুৱাইমিচ্ নামৰ এটা পাৰ্বত্য অঞ্চলত ৮,০০০ বছৰ পুৰণা জীৱকুলৰ কিছুমান অৱশেষৰ প্ৰমাণ পোৱা গৈছে। এই জীৱকুলৰ ভিতৰত পোহনীয়া কুকুৰ অন্যতম। খ্ৰীষ্টপুৰ্ব ২২০০ শতিকাৰ কালছোৱাত ছৌদি আৰবৰ দিলমুনৰ কিছুমান কৃতিস্তম্ভ বাহৰাইনলৈ স্থানান্তৰ কৰাৰ কথা ইতিহাসত উল্লেখ আছে। ইতিহাসত উল্লেখ কৰা হৈছে যে তাম্ৰযুগৰ শেষৰ ফালে উত্তৰ-পশ্চিম ছৌদি আৰবত মানৱ জাতীয়ে বসবাস কৰা বুলি পৱিত্ৰ বাইবেলত সুস্পষ্টভাৱে লিপিবদ্ধ হৈ আছে। খ্ৰীষ্টপূৰ্ব সপ্তম শতিকাৰ শেষৰ ফালে আৰবত উত্তৰ-পশ্চিম অঞ্চলৰ এটা ঐতিহাসিক ৰাজত্ব থকাৰ কথা ইতিহাসে বিৱৰে। এই ৰাজত্বক বুৰঞ্জীবিদ সকলে দিদানৰ শ্বেইখ ৰাজত্ব (Sheikhdom of Dedan) বুলি উল্লেখ কৰে। খ্ৰীষ্টপূৰ্ব ষষ্ঠম শতিকাত এই ৰাজত্ব লিহিয়ান সকলৰ সাম্ৰাজ্য হিচাবে পৰিবৰ্ত্তিত হৈছিল। লিহিয়ান সকলৰ প্ৰতিপত্তি ইমানেই বেছি আছিল যে তেওঁলোক পোন প্ৰথমবাৰৰ বাবে সংস্কৃত তথা অৰ্থনীতিৰ বিষয়ে চিন্তা-চৰ্চা কৰিছিল। খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাৰ মাজভাগত নাবাতী সকলৰ হাতত তেওঁলোক নিজৰ সাম্ৰাজ্য হেৰুৱাব লগীয়া হৈছিল। অৱশেষত ৰোমান সকলে নাবাতী সকলৰ সাম্ৰাজ্য কাঢ়ি লৈছিল।

ইছলাম ধৰ্মৰ আৱিৰ্ভাৱ হোৱাৰ আগলৈকে আৰব দেশত দুই ধৰণৰ মানুহে বসতি কৰি আছিল। অৰ্থাৎ মক্কা, মদিনা, তাইফ আদি চহৰত বাস কৰা লোকসকল আৰু মৰুভূমিত বসবাস কৰা যাযাবৰ বা বেদুইন সকল। চহৰত বাস কৰা লোক সকলে স্থায়ী ভাৱে বসবাস কৰিছিল। আনহাতে যাযাবৰ সকলে সদায় পানী আৰু খাদ্য সামগ্ৰী বিচাৰি সঘনাই স্থান পৰিবৰ্ত্তন কৰিছিল। তেওঁলোকৰ সামাজিক, ৰাজনৈতিক

আল-ছৌদে আধুনিক ছৌদি আৰবৰ জন্ম দিছিল আৰু নিজকে এই ভূখণ্ডৰ একছত্ৰী নেতা বুলি প্ৰমাণ কৰি শান্তি-সমৃদ্ধি বিস্তাৰ কৰিছিল।

**ছৌদি আৰবৰ জাতীয় পতাকা (Flag of Saudi Arabia)ঃ**

ছৌদি আৰবৰ জাতীয় পতাকা আয়তাকাৰ। ইয়াৰ প্ৰস্থ দৈৰ্ঘ্যৰ দুই তৃতীয়াংশ। এই পতাকাৰ ৰং সেউজীয়া। ইয়াৰ মাজত শুকলা স্থানত ইছলাম ধৰ্মৰ শ্বাহাদত কলিমা তায়য়িবা "লা ইলাহা ইল্লাল্লাহু মোহাম্মাদুৰ ৰাছুলুল্লাহ" আৰবী আখৰেৰে লিপিবদ্ধ আছে। ই হ'ল শান্তিৰ প্ৰতক। ইয়াৰ তলত এটা আৰবীয় তৰোৱাল আছে যি শক্তিৰ প্ৰতীক। কলিমা তায়য়িবা লিখা থকা কাৰণে এই পতাকা অৰ্দ্ধ নমিত কৰি ৰখা বা মাটি বা পানী স্পৰ্শ কৰাটো নিষিদ্ধ। ১৯৭৩ চনৰ ১৫ মাৰ্চত ইয়াক ছৌদি আৰবৰ জাতীয় পতাকা হিচাবে স্বীকৃতি দিয়া হৈছে।

**ছৌদি আৰবৰ জাতীয় প্ৰতীক (National Emblem of Saudi Arabia)ঃ**

ছৌদি আৰবৰ জাতীয় প্ৰতীক হৈছে দুটা পূৰণ চিনৰ তৰোৱালৰ ওপৰত এজোপা খেজুৰ গছ। খেজুৰ গছজোপা প্ৰানশক্তি, বৃদ্ধি আৰু সমৃদ্ধিৰ প্ৰতীক আনহাতে পূৰণ চিনৰ তৰোৱাল দুটা ন্যায় আৰু শক্তিৰ প্ৰতীক। ১৯৫০ চনত ইয়াক জাতীয় প্ৰতীক চিহ্ন হিচাবে স্বীকৃতি দিয়া হৈছে।

**ছৌদি আৰবৰ মূদ্ৰা (Currency of Saudi Arabia)ঃ**

ছৌদি আৰবৰ মুদ্ৰা হৈছে ছৌদি ৰিয়াল যাক সোণৰ দ্বাৰা পট্টাকৃত হৈছে। ই ৰূপান্তৰিত আৰু ১০০ হালালাত বিভক্ত। ইয়াৰ কাগজৰ নোট সমূহ হ'ল— ১ ৰিয়াল, ৫ ৰিয়াল, ১০ ৰিয়াল, ২০ ৰিয়াল, ৫০ ৰিয়াল, ১০০ ৰিয়াল, ২০০ ৰিয়াল আৰু ৫০০ ৰিয়াল। ইয়াৰ কেঁচা মুদ্ৰা (Coins) সমূহ হ'ল ৫ হালালা, ১০ হালালা, ২৫ হালালা, ৫০ হালালা আৰু এক ৰিয়াল বা ১০০ হালালা। বৰ্ত্তমান ছৌদি ৰিয়ালৰ বিনিময় হাৰ হৈছেঃ

ঐক্যবদ্ধ কৰি চৌদি আৰব সাম্ৰাজ্য (Kingdom of Saudi Arabia) ৰ জন্ম দিয়ে। ২৩ ছেপ্তেম্বৰ তাৰিখক চৌদি আৰবত জাতীয় বন্ধ হিচাবে ঘোষণা কৰে।

**ছৌদি আৰবৰ অৱস্থান (Location of Saudi Arabia)ঃ**

ছৌদি আৰব দক্ষিণ পশ্চিম এছিয়াত অৱস্থিত এটা আৰব ৰাষ্ট্ৰ। ইয়াৰ পূব দিশত অৱস্থিত আৰব উপকুল, সংযুক্ত আৰব আমিৰাত আৰু কাতাৰ। এই ৰাষ্ট্ৰৰ পশ্চিমে অৱস্থিত আছে লোহিত সাগৰ (Red Sea)। উত্তৰত অৱস্থান কৰি আছে কুয়েত, ইৰাক আৰু জৰ্দান; আৰু ইয়াৰ দক্ষিণ ফালে অৱস্থিত হ'ল ইয়ামেন আৰু ওমান আৰু ইয়াৰ ৰাজধানী (Capital) ৰিয়াজ।

**মাটিকালি (Area)ঃ**

ছৌদি আৰব সাম্ৰাজ্যই আৰব উপদ্বীপৰ প্ৰায় পাঁচ ভাগৰ চাৰিভাগ ভূখণ্ড দখল কৰি আছে। ইয়াৰ মুঠ মাটি কালি হ'ল প্ৰায় ২,০০০,০০০ বৰ্গ কিলোমিটাৰ।

**ছৌদি আৰবৰ জলবায়ু (Climate of Saudi Arabia)ঃ**

ছৌদি আৰবৰ জলবায়ু প্ৰত্যেক এলেকাত একে নহয়। অঞ্চল ভেদে ইয়াৰ জলবায়ু পৰিবৰ্তিত হৈ থাকে। উপ-ক্ৰান্তীয় উচ্চ চাপৰ ফলত এই ৰাষ্ট্ৰ সাধাৰণতে গ্ৰীষ্ম কালত গৰম আৰু শীত কালত ঠাণ্ডা হোৱা দেখা যায়। শীত কালত যথেষ্ট পৰিমাণে বৰষুণ হয়। কিন্তু গ্ৰীষ্ম কালত বৰষুণ প্ৰায় নহয়েই। এই ৰাষ্ট্ৰত পশ্চিম উপকুলীয় অঞ্চল তথা পৰ্বতমালাত গোটেই বছৰতেই আৰ্দ্ৰতা (Humidity) বেছি থাকে।

**ছৌদি আৰবৰ জাতীয় দিৱস (National Day of Saudi Arabia)ঃ**

২৩ ছেপ্তেম্বৰ তাৰিখত সমগ্ৰ ছৌদি আৰবে ইয়াৰ জাতীয় দিৱস পালন কৰে। ১৯৩২ চনত ২৩ ছেপ্তেম্বৰ তাৰিখত ৰজা আব্দুল আজিজ